# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-02-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মিৰাটৰ শতাব্দী নগৰৰ নমো ভাৰত ষ্টেচনত মিৰাট মেট্ৰ' আৰু নমো ভাৰত ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩। ভাৰত আৰু ব্ৰাজিলে ২০৩০ চনলৈকে উভয় দেশৰ মাজৰ বাণিজ্যৰ লক্ষ্য ৩ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰিবলৈ ঠিৰাং কৰিছে।

৪। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ হ'ব।

*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মিৰাটৰ শতাব্দী নগৰ নমো ভাৰত ষ্টেচনত মিৰাট মেট্ৰ' আৰু নমো ভাৰত ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে মেট্ৰ' ৰে'লেৰে মিৰাট দক্ষিণ ষ্টেচনলৈ যাত্ৰা কৰিব। পাছত শ্ৰীমোদীয়ে প্ৰায় ১২ হাজাৰ ৯৩০ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে এই উপলক্ষে এটা সমাৱেশতো ভাষণ দিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

ভাৰত আৰু ব্ৰাজিলে ২০৩০ চনলৈকে উভয় দেশৰ মাজৰ বাণিজ্যৰ লক্ষ্য পূৰ্বৰ দুহেজাৰ কোটি ডলাৰৰ পৰা ৩ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ অভিলাসী লক্ষ্য নিৰ্ধাৰণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ প্ৰাচ্যৰ সচিব পি কুমাৰণে কালি এখন সংবাদমেলত কয়, যে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাছিঅ' লুলা ডা ছিলভাৰ ভাৰত ভ্ৰমণৰ সময়ত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। তেওঁ কয়, যে ৰাষ্ট্ৰপতি ডা ছিলভাই পূৰ্বৰ লক্ষ্য পৰ্যাপ্ত নহয় বুলি বিবেচনা কৰি এই নতুন লক্ষ্যৰ প্ৰস্তাৱ দিছে। সচিবগৰাকীয়ে কয়, যে দুয়োখন দেশে তেল, গেছ আৰু নবীকৰণযোগ্য শক্তিকে ধৰি শক্তি, ব্ৰাজিলৰ কৃত্ৰিম উপগ্ৰহৰ উৎক্ষেপন আৰু যুটীয়াভাৱে উপগ্ৰহৰ নিৰ্মাণ, জৈৱ ইন্ধন আৰু বহনক্ষম বিমান ইন্ধন, কৃষি, পশুপালন, স্বাস্থ্য আৰু যোগাভ্যাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰিবলৈ আগ্ৰহী। এই পদক্ষেপে ভাৰত আৰু ব্ৰাজিলৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে।

ooooo

ঔষধ আৰু চিকিৎসা সামগ্ৰীৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰত আৰু ব্ৰাজিলৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এটা বিবৃতিত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে যে, এই চুক্তি ভাৰতৰ কেন্দ্ৰীয় ঔষধ মানক নিয়ন্ত্ৰণ সংস্থা- চি ডি এছ চি অ' আৰু ব্ৰাজিলৰ স্বাস্থ্য নিয়ন্ত্ৰক সংস্থা এ এন ভি আই এছ এৰ মাজত সম্পাদিত হৈছে। ইয়াৰ জৰিয়তে ঔষধ আৰু চিকিৎসা সামগ্ৰীৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা ব্যৱস্থাৰ সহায়ক হোৱাৰ আশা কৰা হৈছে। ব্ৰাজিলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত দীনেশ ভাটিয়া আৰু ব্ৰাজিলৰ এ এন ভি আই এছ এৰ সঞ্চালক লিনড্ৰ' ছাভাটলে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাচিঅ' লুলা ডা ছিলভাৰ উপস্থিতিত এই চুক্তিত স্বাক্ষৰ কৰে। মন্ত্ৰ্যালয়ে লগতে কয়, যে এই চুক্তিৰ জৰিয়তে ভাৰত আৰু ব্ৰাজিলৰ জনসাধাৰণৰ বাবে নিৰাপদ, ফলপ্ৰসূ আৰু গুণগত মান নিশ্চিত ঔষধ আৰু চিকিৎসা সামগ্ৰীৰ উপলব্ধতা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত দায়বদ্ধতাৰ প্ৰকাশ প্ৰতিফলিত হৈছে।

ooooo

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভ যোগে এই কথা ঘোষণা কৰে। ডঃ শৰ্মাই কয়, যে স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে নিৰ্মিত এই টাৰ্মিনেল ভৱনটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰে। ইয়াৰ পূৰ্বে শ্ৰীশৰ্মাই অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য শ্বেয়াৰ কৰে। বিষয়াসকলে প্ৰকাশ কৰা মতে সংহত টাৰ্মিনেল ভৱনটো মুকলি কৰাৰ ফলত লোকপ্ৰিয় গোপীনাথ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সামৰ্থ্য বৃদ্ধি পাব আৰু সামগ্ৰিক পৰিচালন দক্ষতা বৃদ্ধি পাব।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কালি নতুন দিল্লীত অটল বিহাৰী বাজপেয়ী ঃ **দি ইটাৰনেল ষ্টেটচমেন** শীৰ্ষক এখন কফি টেবুল বুক মুকলি কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতৰত্ন সন্মানেৰে সন্মানিত অটল বিহাৰী বাজপেয়ীৰ প্ৰতি এই কিতাপখনৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। তেওঁ লগতে কয়, যে এই কিতাপখন কেৱল আপুৰুগীয়া ফটোৰ সংকলনেই নহয়, বৰং ভাৰতৰ অতি উচ্চ পৰ্যায়ৰ নেতাগৰাকীকো শ্ৰদ্ধা জনোৱা হৈছে, যাৰ জীৱন আৰু কৰ্মই দেশৰ মানুহক অনুপ্ৰাণিত কৰি আহিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীৰ সৈতে

তেওঁৰ ব্যক্তিগত সম্পৰ্কৰ কথা উল্লেখ কৰি, উপ ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণননে কয়, যে বাজপেয়ীৰ প্ৰধানমন্ত্ৰীত্বৰ কালছোৱাত তেওঁ লোকসভাৰ সদস্য হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিল। তেওঁ কয়, যে প্ৰয়াত প্ৰধানমন্ত্ৰী বাজপেয়ীৰ এগৰাকী সাংসদৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী হোৱালৈকে যি উত্তৰণৰ যাত্ৰা, সেই যাত্ৰাই ভাৰতৰ শক্তিশালী গণতন্ত্ৰকেই প্ৰতিফলিত কৰে।

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি তামিলনাডু ভ্ৰমণলৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মাদুৰাইৰ বন্দিয়াৰত হ'বলগীয়া থিৰু ভি অ' চিদাম্বৰম পিল্লাইৰ আৰক্ষ মূৰ্তি আৰক্ষ মূৰ্তি স্থাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। পৰৱৰ্তী সময়ত উপ ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণে শিৱগংগাৰ থিৰ'কস্তিয়াৰ সৌম্য নাৰায়ণ পেৰুমল মন্দিৰ আৰু ৰাণী ভেলু নাচিয়াৰ ভৱন দৰ্শন কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিজেপিৰ শাসনকালত বিগত ১০ বছৰত অসমৰ আইন-শৃংখলা পৰিস্থিতি যথেষ্ট উন্নত হৈছে বুলি মন্তব্য কৰিছে। সোণাপুৰৰ কচুতলীত কালি দশম অসম আৰক্ষী বাহিনীৰ নতুন চৌহদৰ আধাৰশিলা স্থাপন কৰি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি ৰাজ্যখনলৈ বৃহৎ ঔদ্যোগিক গোষ্ঠীসমূহ উভতি আহিছে। কংগ্ৰেছৰ শাসন কালত ৰাজ্যখনৰ প্ৰতি কৰা অৱহেলাৰ বাবে দলটোক সমালোচনা কৰি শ্ৰীশ্বাহে কয়, যে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে যোৱা ১০ বছৰত অসমৰ বাবে ১৫ লাখ কোটিৰো অধিক ধন আৱণ্টন কৰিছে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাৱাজত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে কয়, যে দেশে অহা ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লৈছে। তেওঁ লগতে কয় যে চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা ৰাষ্ট্ৰৰ প্ৰতি অভূতপূৰ্ব সেৱা আগবঢ়াই আহিছে আৰু চি আৰ পি এফ আৰু কোব্ৰা বেটেলিয়নৰ জোৱানসকলে দেশক নক্সালমুক্ত কৰাৰ বাবে চকুত লগা ধৰণৰ কাম কৰি আহিছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে দেশখনৰ সৰ্বোচ্চ ন্যায়ালায়ৰ শুল্ক সম্পৰ্কীয় ৰায়দানৰ পাছত গোলকীয় শুল্ক ১০ৰ পৰা ১৫ শতাংশলৈ বৃদ্ধি কৰে। সৰ্বোচ্চ ন্যায়ালয়খনে এটা ৰায় যোগে এই কথা প্ৰকাশ কৰিছিল যে, আন্তঃৰাষ্ট্ৰীয় জৰুৰীকালীন অৰ্থনৈতিক ক্ষমতা আইনে এগৰাকী ৰাষ্ট্ৰপতিক আমদানিৰ ক্ষেত্ৰত শুল্ক আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা নাই। এই ৰায়ৰ জৰিয়তে ১০ কোটি ডলাৰৰ ধন ঘূৰাই দিয়াৰ দুৱাৰ মুকলি হোৱাৰ সম্ভাৱনাও আছে। ন্যায়ালয়ৰ এই ৰায়দানৰ কিছু সময় পাছতেই ৰাষ্ট্ৰপতি ট্ৰাম্পে নতুন শুল্ক ঘোষণা কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে নতুনকৈ ১০ শতাংশ গোলকীয় শুল্ক আৰোপ কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু বাণিজ্য সম্পৰ্কীয় শুল্ক কোনো ধৰণৰ হস্তক্ষেপ নোহোৱাকৈ অব্যাহত থাকিব। ন্যায়ালয়ৰ সিদ্ধান্তত ক্ষোভ প্ৰকাশ কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে এই ৰায়ে তেওঁক অসন্তুষ্ট কৰিছে আৰু একাংশ ন্যায়াধীশৰ সাহসৰ অভাৱ বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। আইনী প্ৰত্যাহ্বানৰ পাছতো আমেৰিকাৰ বাণিজ্য নীতিত নতুন ৰূপ দিবলৈ ওলোৱা ট্ৰাম্পৰ প্ৰচেষ্টাৰ গতি এই ৰায়ে লেহেম কৰিব নোৱাৰে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে লীগ পৰ্যায়ত চাৰিওখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি নিজৰ গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। ভাৰতে লীগ পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক পৰাস্ত কৰাৰ পাছত নামিবিয়াক ৯৩ ৰানত পৰাস্ত কৰে। একেদৰে ভাৰতে গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত পাকিস্তানত ৬১ ৰানত আৰু অন্তিমখন খেলত নেডাৰলেণ্ডছক ১৭ ৰানত পৰাস্ত কৰে।

ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে জয়েৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰে। দলটোৱে দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে ছুপাৰ অভাৰত বিজয় সাব্যস্ত কৰে। দক্ষিণ আফ্ৰিকাই তৃতীয়খন খেলত নিউজিলেণ্ডক ৭ উইকেটত পৰাভূত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰে। দলটোৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ইউ এ ইৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত ভাৰত, জিম্বাব'ৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ ৱানত অন্তৰ্ভুক্ত কৰা হৈছে। পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ডক গ্ৰুপ টুত স্থান দিয়া হৈছে।

প্ৰতিটো দলে নিজৰ গ্ৰুপৰ অন্য দলৰ বিৰুদ্ধে তিনিখন খেলত অৱতীৰ্ণ হ'ব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দুটা দলে ছেমি ফাইনেলত স্থান লাভ কৰিব। ইপিনে, নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত কালি কলম্বোত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ফলত দুয়োটা দলে ১-১ পইণ্ট লাভ কৰে।

ooooo

**সমাপ্ত**